**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি বিয়লি ৩ বজাত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত ২০২৪ বৰ্ষৰ ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহ প্ৰদান কৰিব। অৱসৰপ্ৰাপ্ত সেনা বিষয়া লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতালৈ  অসম বৈভৱ সন্মান আগবঢ়োৱা হৈছে। সংগীত শিল্পী দ্বীপেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্ত, ক্ৰিকেটাৰ উমা ছেত্ৰী আৰু টাটা কনছালটেন্সি ছাৰ্ভিচেছৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° এছ ৰামডুৰাই, ৰাষ্ট্ৰীয় ফৰেনছিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° বাপ্পী পাল আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° পূৰৱী শইকীয়াক অসম সৌৰভ সন্মান প্ৰদান কৰা হ'ব।

একেদৰে, শগুণৰ সংৰক্ষণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি থকা ফুলেশ্বৰী দত্ত আৰু বাইক ৰাইডাৰ মিনাক্ষী দাসকে ধৰি বিভিন্ন ক্ষেত্ৰত সমাজ জীৱনলৈ বিশেষ বৰঙণি আগবঢ়োৱা ১২গৰাকী ব্যক্তিৰ লগতে আন তিনিটা প্ৰতিষ্ঠানক অসম গৌৰৱ সন্মানৰ বাবে বাছনি কৰা হৈছে। এই প্ৰতিষ্ঠানকেইটা হৈছে কলিয়াবৰৰ চোৰেং এহেম, তিনিচুকীয়াৰ বাৰেকুৰি গাঁৱৰ হলৌ বান্দৰ সংৰক্ষণৰ বাবে অহৰ্নিশে কাম কৰি অহা ইকো-ডেভেলপ ছ'চাইটী আৰু বন্যহস্তীৰ হকে দীৰ্ঘদিনে কাম কৰি অহা নগাঁৱৰ হাতীবন্ধু।

০০০০০০০

অসমত অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া  পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। ১১ এপ্ৰিললৈ মনোনয়ন পত্ৰ দাখিল কৰিব পৰা যাব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ১৭ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ১১ মে'ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। কালি গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত ৰাজ্যিক নিৰ্বাচন আয়ুক্ত আলোক কুমাৰে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ জনোৱা মতে প্ৰথম পৰ্যায়ত অহা ২ মে'ত উজনি অসম আৰু বৰাক উপত্যকাত ভোটগ্ৰহণ কৰা হ'ব।

দ্বিতীয় পৰ্যায়ত অহা ৭ মে'ত নামনি অসম আৰু মধ্য অসমত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ হ'ব।

ভোটগ্ৰহণৰ বাবে ২৫ হাজাৰ ৭ টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। ১ কোটি ৮০ লাখ ৩৬ হাজাৰ ৬৮২ গৰাকী ভোটদাতাই এই নিৰ্বাচনত ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। নিৰ্বাচনৰ বাবে ১ লাখ ২০ হাজাৰ কৰ্মচাৰী নিয়োগ কৰা হ'ব। অৱশ্যে ষষ্ঠ অনুসূচীৰ অধীনৰ এলেকাত এই নিৰ্বাচন অনুষ্ঠিত নহয়। আঞ্চলিক পঞ্চায়তৰ বাবে প্ৰাৰ্থীৰ সৰ্বাধিক নিৰ্বাচনী ব্যয় আঢ়ৈ লাখ টকা, জিলা পৰিষদত ১০ লাখ টকা আৰু গাঁও পঞ্চায়তত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীৰ বাবে নিৰ্বাচনী ব্যয় সৰ্বাধিক ২৫ হাজাৰ টকা ধাৰ্য কৰা হৈছে বুলি নিৰ্বাচন আয়ুক্তগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। এই নিৰ্বাচনত ই ভি এমৰ পৰিৱৰ্তে বেলট কাগজ ব্যৱহাৰ কৰা হ'ব বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে নিৰ্বাচন হ'বলগীয়া অঞ্চলসমূহত নিৰ্বাচনী আৰ্হি আচৰণ বিধি বলৱৎ হৈছে।

০০০০০০০

পৰম্পৰাগত অসমীয়া গহণাই ভৌগোলিক সূচ্যাংক অৰ্থাৎ জি আই টেগৰ স্বীকৃতি লাভ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ ভৌগোলিক সূচক পঞ্জীয়কে কালি ৰত্ন আৰু গহণা উন্নয়ন পৰিষদ, অসমলৈ এই ভৌগোলিক সূচকৰ স্বত্ব প্ৰদান কৰে। ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা বিভাগৰ অন্তৰ্গত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ তত্বাৱধানত চলোৱা প্ৰচেষ্টাৰ ফলস্বৰূপে এই সূচক ৰাজ্যখনে লাভ কৰিছে। গহণা প্ৰস্তুতিৰ পদ্ধতিৰ ভিত্তিত পৰম্পৰাগত অসমীয়া গহণাৰ তিনিটা প্ৰকাৰক টাইপ-এ, টাইপ-বি আৰু টাইপ-চিৰ স্বীকৃতি দিয়া হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমীয়া গহণাই এই স্বীকৃতি লাভ কৰাৰ বাবে আনন্দ প্ৰকাশ কৰে। এটা বাৰ্তাত তেওঁ অসমৰ ঐতিহ্য সংস্কৃতিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত অসমীয়া গহণালৈ এই স্বীকৃতিৰ বাবে এই উদ্যোগৰ সৈতে জড়িতসকলৰ লগতে সমূহ অসমবাসীলৈ অভিনন্দন জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে ২০১৮-১৯ বৰ্ষৰ বাজেটত ৰাজ্য চৰকাৰে শিল্পীসকলৰ সুৰক্ষা আৰু স্বীকৃতিৰ প্ৰতি লক্ষ্য ৰাখি জি আই টেগৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। এই প্ৰস্তাৱে ন্যায্যতা লাভ কৰাত তেওঁ সুখী বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমীয়া গহণাই জি আই টেগ লাভ কৰাৰ বাবে সন্তোষ প্ৰকাশ কৰিছে। এই অভিনৱ স্বীকৃতিয়ে ৰাজ্যখনৰ পৰম্পৰাগত শিল্পকলাক অধিক প্ৰসাৰিত কৰি ইয়াৰ বিশেষত্বক সুৰক্ষিত কৰাৰ লগতে গহণাৰ সৈতে জড়িত কাৰুশিল্পীসকলক উৎসাহিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ইপিনে, পৰম্পৰাগত অসমীয়া গহণাই স্বীকৃতি লাভ কৰাৰ ফলত এই উদ্যোগৰ সৈতে জড়িত কাৰুশিল্পীসকলৰ মাজত আশাৰ সঞ্চাৰ হৈছে।

ooooooo

আই পি এল টী টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, যোৱাবাৰৰ চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট টাইটানছে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৮ উইকেটত পৰাস্ত কৰে।

oooooo

খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতাসমূহ কালিৰেপৰা অনুষ্ঠিত হৈছে। কালি খেলৰ প্ৰথম দিনা সাঁতোৰত যোৰহাট জিলাৰ খেলুৱৈয়ে ১৫টা পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত ১৪ আৰু ১৭ বছৰ অনূৰ্ধ্ব ৮টা শাখাৰ ভিতৰত ৫টাতে যোৰহাটৰ খেলুৱৈয়ে স্বৰ্ণ পদক জয় কৰাৰ লগতে ৮টা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ইপিনে, শিৱসাগৰ জিলাই ২টা সোণ আৰু ৩টা ব্ৰঞ্জ, কামৰূপ মহানগৰ জিলাই এটা সোণ আৰু ৩টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। সাঁতোৰৰ উপৰি কালি এথলেটিকছ, ফুটবল, কাবাডী আৰু দবাৰ প্ৰাথমিক পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হয়।

মুঠ ৭ হাজাৰ ৯৮ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিবলগীয়া খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ ৰাজ্যিক স্তৰৰ এই প্ৰতিযোগিতা অহা ৬ এপ্ৰিলত সামৰণি পৰিব।

ooooooo